**01-01-2019 প্ৰাতঃমুৰলী ওঁম্ শান্তি! ''বাপদাদা'' মধুবন।**

**'' মৰমৰ সন্তানসকল – ইয়াত তোমালোক বনবাসত আছা , ভালতকৈও ভাল পিন্ধা , খোৱা .... এ নে চখ তোমালোকৰ থাকি ব নালাগে , পঢ়া আৰু চৰিত্ৰত ওপৰত পুৰা ধ্যান দিয়া ''**

প্ৰশ্ন: জ্ঞান ৰত্নৰে সদায় ভৰপূৰ হৈ থকাৰ উপায় কি ?

উত্তৰ: দান। যিমানে অন্যক দান কৰিবা সিমানে নিজে ভৰপূৰ হৈ থাকিবা। বুদ্ধিয়ক তেওঁ যিয়ে শুনি উঠি ধাৰণ কৰে আৰু পিছত অন্যক দান কৰে। বুদ্ধি ৰূপী জোলোঙাত যদি ছিদ্ৰ থাকে তেন্তে ওলাই যাব, ধাৰণা নহ'ব, সেইকাৰণে নিয়ম অনুসৰি পঢ়া পঢ়িব লাগে। 5 বিকাৰৰ পৰা দূৰৈত থাকিব লাগে। ৰূপ-বসন্ত (জ্ঞানী-যোগী) হ'ব লাগে।

**ওঁম্ শান্তি।**আত্মিক পিতাই আত্মিক সন্তানসকলক বুজায়। আত্মিক পিতায়ো কৰ্মেন্দ্ৰিয়ৰ দ্বাৰা শুনায়, আত্মিক সন্তানসকলেও কৰ্মেন্দ্ৰিয়ৰ দ্বাৰা শুনে। এয়া হৈছে নতুন কথা। দুনিয়াত কোনো মনুষ্যই এনেকৈ ক'ব নোৱাৰে। তোমালোকৰ ভিতৰতো পুৰুষাৰ্থৰ ক্ৰম অনুসৰি বুজায়। যেনেকৈ শিক্ষকে পঢ়ায় তেতিয়া বিদ্যাৰ্থীৰ ৰেজিষ্টাৰে সেয়া প্ৰতিফলিত কৰে। ৰেজিষ্টাৰৰ পৰা তেওঁৰ পঢ়া আৰু চলন গম পোৱা যায়। মুখ্য হৈছে পঢ়া আৰু চৰিত্ৰ, এয়া হৈছে ঈশ্বৰীয় পঢ়া যিটো কোনেও পঢ়াব নোৱাৰে। ৰচয়িতা আৰু ৰচনাৰ আদি-মধ্য-অন্ত, সৃষ্টি চক্ৰৰ জ্ঞান, এয়া গোটেই দুনিয়াত কোনো মনুষ্যই নাজানে। ঋষি-মুনি যিসকল ইমান শিক্ষিত অৰ্থ'ৰিটি আছে, সেই প্ৰাচীন ঋষি-মুনিসকলে নিজে কৈছিল যে আমি ৰচয়িতা আৰু ৰচনাক নাজানো। পিতাইহে আহি পৰিচয় দিছে। গায়নো কৰা হয় - এয়া হৈছে কাঁইটৰ জংঘল। জংঘলত জুই নিশ্চয় লাগিব। ফুলৰ বাগিচাত কেতিয়াও জুই নালাগে কিয়নো গোটেই জংঘল শুকাই আছে। বাগিচা সেউজ হৈ থাকে। সেউজ বাগিচাত জুই নালাগে। শুকান হ'লে জুই তৎক্ষণাৎ লাগি যায়। এয়া হৈছে বেহদৰ জংঘল, ইয়াতো জুই লাগিছিল। বাগিচাও স্থাপনা হৈছিল। তোমালোকৰ বাগিচা এতিয়া গুপ্ত ৰূপত স্থাপনা হৈ আছে। তোমালোকে জানা আমি বাগিচাৰ ফুল সুগন্ধি দেৱতা হৈ আছো, তাৰ নামেই হৈছে স্বৰ্গ। এতিয়া স্বৰ্গ স্থাপনা হৈ আছে। আশ্চৰ্যকৰ, তোমালোকে যাকে নুবুজোৱা কিন্তু কাৰোৱে বুদ্ধিত নব'হে, যি এই ধৰ্মৰ নহয় তেওঁৰ বুদ্ধিত নবহিবই। এখন কাণেৰে শুনিব আনখনেৰে উলিয়াই দিব। সত্যযুগ ত্ৰেতাত ভাৰতবাসী সংখ্যাত কিমান কম হ'ব। আকৌ দ্বাপৰ কলিযুগত কিমান বৃদ্ধি হৈ যায়। তাত এটি বা দুটি সন্তান থাকে ইয়াত 4-5 টা সন্তান গতিকে নিশ্চয় বৃদ্ধি হৈ গ'ল। ভাৰতবাসীয়েহে এতিয়া হিন্দু বুলি কয়। বাস্তৱত দেৱতা ধৰ্মৰ আছিল অন্য কোনো ধৰ্মৰ লোকে নিজৰ ধৰ্মক নাপাহৰে। এই ভৰতবাসীয়েহে পাহৰি গৈছে। চোৱা এই সময়ত কিমান অনেক মনুষ্য আছে। এই সকলোৱেতোআহি জ্ঞান নল'ব। প্ৰত্যেকেই নিজৰ জন্মকো বুজিব পাৰে। যিয়ে 84 জন্ম লৈছে, তেওঁলোক নিশ্চয় পুৰণা ভক্ত হ'ব। তোমালোকে বুজিব পাৰা যে আমি কিমান ভক্তি কৰিছো। যদি কম কৰিছে তেন্তে জ্ঞানো কম ধাৰণ কৰিব আৰু অলপ সংখ্যককহে বুজাব। যদি বহুত ভক্তি কৰিছে তেন্তে জ্ঞানো বহুত ধাৰণ কৰিব আৰু বহুতক বুজাব। জ্ঞান ধাৰণ নকৰিলে তেতিয়া কমকৈহে বুজাব পাৰিব, সেইকাৰণে তেওঁলোকে ফলো কমকৈ প্ৰাপ্ত কৰে। হিচাপ আছে নহয় জানো। পিতাক এটি সন্তানে হিচাপ উলিয়াই পঠিয়াইছিল ইছলামীসকলৰ ইমান জন্ম, বৌদ্ধিসকলৰ ইমান জন্ম হোৱা উচিত। বুদ্ধও ধৰ্ম প্ৰতিষ্ঠাপক হয়। তেওঁৰ আগত কোনো বুদ্ধ ধৰ্মৰ নাছিল। বুদ্ধৰ আত্মাই প্ৰৱেশ কৰিলে। তেওঁ বৌদ্ধধৰ্ম প্ৰতিষ্ঠা কৰিলে। পিছত এজনৰ পৰা বৃদ্ধি হৈ গৈ থাকে। তেৱোঁ এজন প্ৰজাপিতা। এজনৰ পৰা কিমান বৃদ্ধি হয়। তোমালোকতো ৰজা হ'ব লাগে - নতুন দুনিয়াত। ইয়াততো বনবাসত আছা। কোনো বস্তুৰ প্ৰতি চখ থাকিব নালাগে। আমি ভাল কাপোৰ আদি পিন্ধোঁ, এয়াও দেহ-অভিমান হয়। যি পোৱা যায় সেয়াই ভাল। এই দুনিয়াই হৈছে ক্ষন্তেকীয়া। ইয়াত ভাল কাপোৰ পিন্ধিলা, তাত আকৌ কম হৈ যাব। এই চখো এৰিব লাগে। আগলৈ তোমালোক সন্তানসকলৰ নিজে-নিজেই সাক্ষাৎকাৰ হৈ থাকিব। তোমালোকে নিজে ক'বা এওঁটো বহুত সেৱা কৰে, আচৰিত। এওঁ নিশ্চয় আগত নম্বৰ ল'ব। পিছত নিজৰ সমান বনাই থাকিব। দিনে-প্ৰতিদিনে বাগিচাটো ডাঙৰ হৈ গৈ থাকিব। যিমান দেৱী-দেৱতা সত্যযুগৰ হয় বা ত্ৰেতাৰ হয়, সেই সকলোৱে ইয়াত গুপ্ত ৰূপত বহি আছে পিছত প্ৰত্যক্ষ হৈ যাব। এতিয়া তোমালোকে গুপ্ত পদ প্ৰাপ্ত কৰি আছা। তোমালোকে জানা যে আমি পঢ়ি আছো - মৃত্যুলোকত, পদ অমৰলোকত পামগৈ। এনেকুৱা পঢ়া কেতিয়াবা দেখিছা! এয়া আশ্চৰ্যকৰ। পঢ়িব লাগে পুৰণি দুনিয়াত, পদ প্ৰাপ্ত কৰিবা নতুন দুনিয়াত। পঢ়াওঁতাও সেইজনেই যি অমৰলোকৰ স্থাপনা আৰু মৃত্যুলোকৰ বিনাশ কৰাওঁতা হয়। তোমালোকৰ এই পুৰুষোত্তম সংগম যুগ বহুত সৰু, ইয়াতেই পিতা আহে - পঢ়াবৰ কাৰণে। অহাৰ লগে-লগেই পঢ়া আৰম্ভ হৈ যায়। সেয়েহে পিতাই কয় – এনেকৈ লিখা - শিৱ জয়ন্তী তথা গীতা জয়ন্তী। এওঁক মনুষ্যই নাজানে। তেওঁলোকে কৃষ্ণৰ নাম দি দিলে। এতিয়া এইটো ভুল

কোনোৱে বুজিলেহে। কিমান ডাঙৰ-ডাঙৰ মানুহ সংগ্ৰাহলয়লৈ আহে, এনেকুৱা নহয় যে তেওঁলোকে পিতাক জানে, একো নাই সেইকাৰণে বাবাই কয় ফৰ্ম ভৰোৱা তেতিয়া গম পোৱা যাব যে কিবা শিকিছে নে নাই। বাকী ইয়ালৈ আহি কি কৰিব। যেনেকৈ সাধু সন্ত মহাত্মাৰ ওচৰলৈ যায়, ইয়াত তেনেকুৱা কথা নাই। এওঁৰতো সেয়াই সাধাৰণ ৰূপ। পোচাকৰ ক্ষেত্ৰতো একো পাৰ্থক্য নাই সেইকাৰণে কোনেও বুজিব নোৱাৰে। এনেকৈ ভাবে যে এওঁতো সোণাৰী আছিল। প্ৰথমে আছিল বিনাশী ৰত্নৰ সোণাৰী। এতিয়া হৈ পৰিল অবিনাশী ৰত্নৰ সোণাৰী। তোমালোকে চুক্তিও বেহদৰ পিতাৰ লগত কৰা। যি ডাঙৰ সদাগৰ, যাদুকৰ, ৰত্নাকৰ হয়। গতিকে সকলোৱে নিজে বুজিব লাগে যে আমি ৰূপ-বসন্ত (জ্ঞানী-যোগী) হওঁ। আমাৰ লাখ মূল্যৰ জ্ঞান ৰত্ন আছে। এই জ্ঞান ৰত্নৰ দ্বাৰা তোমালোক পাৰস বুদ্ধিৰ হৈ যোৱা। এয়াও বুজিবলগীয়া কথা। কিছুমান ভাল বুদ্ধিমান আছে যিয়ে এই কথাবোৰ ধাৰণ কৰে। যদি ধাৰণা নহয় তেন্তে কোনো কামৰ নহয়। বুজিবা তেওঁৰ জোলোঙাত ছিদ্ৰ আছে, সৰকি যায়। পিতাই কয় - মই তোমালোকক অবিনাশী জ্ঞান ৰত্ন দান দিওঁ। যদি তোমালোকে দান কৰি থাকা তেন্তে ভৰপূৰ হৈ থাকিবা। নহ'লে একোৱে নাই, খালী। নপঢ়ে, নিয়ম অনুসৰি নচলে। ইয়াত বিষয় বহুত ভাল। 5 বিকাৰৰ পৰা তোমালোক একেবাৰে দূৰৈত যাব লাগে।

পিতাই বুজাইছে - এয়া যি ৰাখী বন্ধন পালন কৰে সেয়াও এই সময়ৰ হয়। কিন্তু মনুষ্যই অৰ্থ নাজানে যে ৰাখী কিয় বন্ধা হয়। তেওঁলোকতো অপবিত্ৰ হৈ থাকে ৰাখী বন্ধাই থাকে। আগতে ব্ৰাহ্মণ লোকসকলে বান্ধিছিল। এতিয়া ভনীয়েকে ককায়েকক বান্ধে - খৰচৰ কাৰণে। তাত পবিত্ৰতাৰ কথা নাই। বহুত ফেশ্বনৰ ৰাখী বনায়। এই দেৱালী দশহাৰা সকলো সংগমযুগৰ হয়। পিতাই যি ভূমিকা পালন কৰে সেয়া আকৌ ভক্তি মাৰ্গত চলে। পিতাই তোমালোকক সঁচা গীতা শুনাই এই লক্ষ্মী-নাৰায়ণ কৰি তোলে। এতিয়া তোমালোক প্ৰথম শ্ৰেণীত যোৱা। সত্য নাৰায়ণৰ কথা শুনি তোমালোক নৰৰ পৰা নাৰায়ণ হোৱা। এতিয়া তোমালোক সন্তানসকলে গোটেই দুনিয়াক জগাব লাগে। কিমান যোগৰ শক্তি লাগে। যোগৰ শক্তিৰ দ্বাৰা তোমালোকে কল্পই-কল্পই স্বৰ্গ স্থাপনা কৰা। যোগবলৰ দ্বাৰা হয় স্থাপনা, বাহুবলৰ দ্বাৰা হয় বিনাশ। শব্দ হৈছে দুটা - অল্ফ্ (ভগৱান) আৰু বে (বাদশ্বাহী)। যোগবলৰ দ্বাৰা তোমালোক বিশ্বৰ মালিক হোৱা। তোমালোকৰ জ্ঞান একেবাৰে গুপ্ত। তোমালোক যি সতোপ্ৰধান আছিলা, এতিয়া তমোপ্ৰধান হৈ গ'লা। পুনৰ সতোপ্ৰধান হ'ব লাগিব। প্ৰতিটো বস্তু নতুনৰ পৰা পুৰণি নিশ্চয় হয়। নতুন দুনিয়াত কি যে নহ'ব। পুৰণি দুনিয়াততো একোৱেই নাই। যেন খালী। ক'ত ভাৰত স্বৰ্গ আছিল, ক'ত ভাৰত এতিয়া নৰক হৈ পৰিল। ৰাতি-দিনৰ পাৰ্থক্য। ৰাৱণৰ প্ৰতিকৃতি সাজি জ্বলায়, কিন্তু অৰ্থ নাজানে। তোমালোকে এতিয়া বুজি পাইছা যে এয়া কি-কি কৰি আছে। তোমালোকৰ মাজতো কালি অজ্ঞান আছিল, আজি জ্ঞান আছে। কালি নৰকত আছিলা, আজি স্বৰ্গলৈ গৈ আছা - বাস্তৱত। এনেকুৱা নহয় যেনেকৈ দুনিয়াৰ লোকে কয় স্বৰ্গবাসী হ'ল। তোমালোক এতিয়া স্বৰ্গলৈ যাবা গতিকে পুনৰ নৰক নাথাকিবই। কিমান বুজিবলগীয়া কথা। হয়ো চেকেণ্ডৰ কথা। পিতাক স্মৰণ কৰা তেন্তে বিকৰ্ম বিনাশ হ'ব। এয়া সকলোকে শুনাই থাকা। কোৱা তোমালোক এই (লক্ষ্মী-নাৰায়ণৰ) নিচিনা আছিলা আকৌ 84 জন্ম লৈ এনেকুৱা হৈ পৰিলা। সতোপ্ৰধানৰ পৰা তমোপ্ৰধান হৈ পৰিলা পুনৰ সতোপ্ৰধান হ'ব লাগিব। আত্মাটো বিনাশ নহয়। বাকী আত্মাই তমোপ্ৰধানৰ পৰা সতোপ্ৰধান পুনৰ হ'বই লাগে। বাবাই ভিন্ন-ভিন্ন ৰীতিয়ে বুজাই থাকে। মোৰ বেটাৰী কেতিয়াও পুৰণা নহয়। বাবাই কেৱল কয় যে নিজক বিন্দু আত্মা বুলি বুজি লোৱা। এনেকৈ কয় যে এওঁৰ আত্মা ওলাই গ'ল। গতিকে আত্মাই সংস্কাৰ অনুসৰি এটা শৰীৰ এৰি অন্য এটা লয়। এতিয়া আত্মাসকল ঘৰলৈ যাব লাগিব। এয়াও ড্ৰামা। সৃষ্টি চক্ৰ পুনৰাবৃত্তি হৈয়ে থাকে। পিছলৈ হিচাপ উলিয়াই কয় যে দুনিয়াত ইমান মনুষ্য আছে। এনেকৈ কিয় নকয় যে ইমান আত্মা আছে। পিতাই কয় সন্তানসকল মোক কিমান পাহৰি গ'লা। পুনৰ সকলোকে ময়েই কল্যাণ কৰিবলগীয়া হয়, সেইবাবেতো পিতাক আহ্বান কৰি থাকে। তোমালোকে পিতাক পাহৰি যোৱা, পিতাই সন্তানক নাপাহৰে। পিতা আহেই পতিতসকলক পাৱন কৰি তুলিবৰ কাৰণে। এওঁ হৈছে গোমুখ। বাকী গৰু আদিৰ কথা নাই। এওঁ ভাগ্যশালী ৰথ হয়। বাবাই তোমালোক সন্তানসকলক কয় - শিৱবাবাই আমাক শৃংগাৰ কৰে। এইটো যাতে দৃঢ় ভাবে স্মৃতিত থাকে। শিৱবাবাক স্মৰণ কৰিলে বহুত লাভ হয়। বাবাই আমাক এওঁৰ দ্বাৰা (ব্ৰহ্মাৰ দ্বাৰা) পঢ়ায়, গতিকে এওঁক স্মৰণ কৰিব নালাগে। সৎগুৰু হৈছে এজন শিৱবাবা, তেওঁৰ প্ৰতি তোমালোক বলিহাৰ হ’ব লাগে। এৰোঁ তেওঁৰ প্ৰতি বলিহাৰ নহ’ল জানো। পিতাই কয় কেৱল মোক স্মৰণ কৰা। সন্তানসকল যায় সত্যযুগী ফুলৰ দুনিয়ালৈ তেন্তে আকৌ কাঁইটৰ প্ৰতি মোহ কিয় থাকিব লাগে। 63 জন্মটো ভক্তি মাৰ্গৰ শাস্ত্ৰ পঢ়ি পূজা কৰি আহিছা। তোমালোকে পূজাও প্ৰথমে শিৱবাবাৰে কৰিছা, সেইবাবেটো সোমনাথৰ মন্দিৰ সজা হৈছে। মন্দিৰতো সকলো ৰজাৰ ঘৰত আছিল, কিমান হীৰা-অলংকাৰ আছিল। পিছলৈ আহি আক্ৰমণ কৰিলে। এটা মন্দিৰৰ পৰা কিমান সোণ আদি লৈ গ'ল। তোমালোক এনেকুৱা ধনৱান বিশ্বৰ মালিক হোৱা। এওঁ ধনৱান আছিল, বিশ্বৰ মালিক আছিল কিন্তু এওঁৰ ৰাজ্যৰ কিমান সময় হৈ গ'ল, কোনেও গম নাপায়। পিতাই কয় 5 হাজাৰ বছৰ হৈ গ'ল। 2500 বছৰ ৰাজ্য কৰিলে, 2500 বছৰত ইমান মঠ-পন্থ

আদি বৃদ্ধি হৈছে।

তোমালোক সন্তানসকল বহুত আনন্দিত হ'ব লাগে যে আমাক বেহদৰ পিতাই পঢ়ায়। অজস্ৰ সম্পত্তি পোৱা যায়। দেখুৱায় যে সাগৰৰ পৰা দেৱতা ওলাল ৰত্নৰ থালি ভৰপূৰ কৰি আহিল। এতিয়া তোমালোকে জ্ঞান ৰত্নৰ থালি ভৰপূৰকৈ প্ৰাপ্ত কৰা। পিতা হৈছে জ্ঞানৰ সাগৰ। কোনোৱে ভাল ৰীতিয়ে থালি ভৰায়, কাৰোবাৰ সৰকি যায়। যিয়ে ভাল ৰীতিৰে পঢ়িব, পঢ়াব তেওঁ নিশ্চয় ভাল ধনৱান হ'ব। ৰাজধানী স্থাপনা হৈ আছে। এয়া ড্ৰামাত নিৰ্ধাৰিত হৈ আছে। যিয়ে ভাল ৰীতিৰে পঢ়ে তেৱেঁই স্কলাৰশ্বিপ্ পায়। এয়া হৈছে ঈশ্বৰৰ স্কলাৰশ্বিপ্, অবিনাশী। সেয়া হৈছে বিনাশী। চিৰি বহুত আশ্চৰ্যকৰ। 84 জন্মৰ কাহিনী নহয় জানো। পিতাই কয় - চিৰিৰ ইমান ডাঙৰ ট্ৰান্সলাইট বনোৱা যাতে দূৰৰ পৰা স্পষ্টকৈ দেখা পোৱা যায়। মনুষ্যই দেখি আচম্বিত হ'ব। পিছত তোমালোকৰ নামো প্ৰখ্যাত হৈ গৈ থাকিব। এতিয়া যিয়ে চক্ৰ লগাই (পৰিক্ৰমা কৰি) গুছি যায় তেওঁলোক শেষৰ ফালে আহিব। দুই-চাৰিবাৰ পৰিক্ৰমা লগালে ভাগ্যত আছে যদি ৰৈ যাব। শিখাটো এগছিয়ে, ক'ত যাব। সন্তানসকল বহুত মিঠা হ'ব লাগে। মিঠা তেতিয়া হ'ব যেতিয়া যোগত থাকিব। যোগৰ দ্বাৰাই আকৰ্ষণ হ'ব। যেতিয়ালৈকে খাদ আতৰি নাযায় তেতিয়ালৈকে কাৰোৱে আকৰ্ষণ নহ'ব। এই চিৰিৰ ৰহস্য সকলো আত্মাকে শুনাব লাগে। লাহে-লাহে ক্ৰমানুসৰি সকলোৱে জানি গৈ থাকিব। এয়া হৈছে ড্ৰামা। বিশ্বৰ বুৰঞ্জী-ভূগোল পুনৰাবৃত্তি হৈ থাকে। যিয়ে এয়া বুজালে, তেওঁক স্মৰণ কৰিব নালাগে জানো। পিতাক অমনিপ্ৰেজেন্ট (সৰ্বব্যাপি) বুলি কয় কিন্তু তাতটো সৰ্বব্যাপি হৈছে মায়া, ইয়াত আছে পিতা কিয়নো চেকেণ্ডত আহিব পাৰে। তোমালোকে বুজিব লাগে যে বাবা এওঁৰ তনত বহিয়ে আছে। কৰন-কৰাৱনহাৰ নহয় জানো। কৰেও, কৰাইয়ো, সন্তানসকলক নিৰ্দেশনা দিয়ে। নিজেও কৰি থাকে। কি কৰিব পাৰে, কি কৰিব নোৱাৰে - এই শৰীৰত, সেয়া হিচাপ কৰা। বাবাই নাখায়, সুবাস লয়। বাৰু!

অতি মৰমৰ কল্পৰ পিছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*** ধাৰণাৰ বাবে মুখ্য সাৰ :-****

(1) ৰূপ-বসন্ত (জ্ঞানী-যোগী) হৈ নিজৰ বুদ্ধি ৰূপী জোলোঙা অবিনাশী জ্ঞান ৰত্নৰে সদায় ভৰপূৰ কৰি ৰাখিব লাগে। বুদ্ধি ৰূপী জোলোঙাত যাতে কোনো ছিদ্ৰ নাথাকে। জ্ঞান ৰত্ন ধাৰণ কৰি অন্যক দান কৰিব লাগে।

(2) স্কলাৰশ্বিপ্ ল'ব কাৰণে পঢ়া ভালদৰে পঢ়িব লাগে। পুৰা বনবাসত থাকিব লাগে। কোনো প্ৰকাৰৰ চখ ৰাখিব নালাগে। সুগন্ধি ফুল হৈ আনকো তেনেকৈ গঢ়ি তুলিব লাগে।

**বৰদান:** শুভ চিন্তক স্থিতিৰ দ্বাৰা সকলোৰে সহযোগ প্ৰাপ্ত কৰোঁতা সকলো ৰে স্নেহী হোৱা

শুভচিন্তক আত্মাসকলৰ প্ৰতি প্ৰত্যেকৰে হৃদয়ত স্নেহ উৎপন্ন হয় আৰু সেই স্নেহেই সহযোগী কৰি দিয়ে। য'ত স্নেহ আছে, ত'ত সময়, সম্পত্তি, সহযোগ সদায় অৰ্পণ হ'বলৈ সাজু হৈ যায়। গতিকে শুভচিন্তক হ'লে স্নেহী কৰি তুলিব আৰু স্নেহে সকলো প্ৰকাৰৰ সহযোগত অৰ্পণময় কৰি তুলিব সেইকাৰণে সদায় শুভচিন্তনৰ দ্বাৰা সম্পন্ন হৈ থাকা আৰু শুভচিন্তক হৈ সকলোকে স্নেহী, সহযোগী কৰি তোলা।

**স্লোগান:** এই সময়ত দাতা হোৱা তে তিয়া তোমালোকৰ ৰাজ্যত জন্ম - জন্মান্তৰ প্ৰত্যেক আত্মা ভৰপূৰ হৈ থাকিব।

!! ওঁম্ শান্তি !!

ওঁম্ শান্তি!!

এই অব্যক্ত মাহ ব্ৰহ্মাৰ সকলো সন্তানৰ কাৰণে বিশেষ বৰদানী মাহ, এই মাহত আমি অন্তৰ্মুখী হৈ সাকাৰ ব্ৰহ্মা পিতাৰ সমান হোৱাৰ লক্ষ ৰাখি তীব্ৰ পুৰুষ্কাৰ্থ কৰোঁ, তাৰ বাবে এই জানুৱাৰী মাহত প্ৰতিদিনৰ মুৰুলীৰ শেষত বিশেষ পুৰুষাৰ্থৰ এটা পইন্ট দিয়া হৈছে, অনুগ্ৰহ কৰি সেই অনুসৰি মনোযোগ দি গোটেই দিন ইয়াৰ ওপৰত মনন-চিন্তন কৰি অব্যক্ত বতনত পৰিভ্ৰমণ কৰা -

**ব্ৰহ্মা পিতাৰ সমান হ ' বলৈ বিশেষ পুৰুষাৰ্থ**

সময় অনুসৰি তিনিটা শব্দ সদায় স্মৃতিত ৰাখা – অন্তৰ্মুখ, অব্যক্ত আৰু অলৌকিক, এতিয়াও কিছু পৰিমাণে লৌকিকতা মিহলি হৈ আছে কিন্তু যেতিয়া একেবাৰে অলৌকিক অন্তৰ্মুখী হৈ যাবা তেতিয়া অব্যক্ত ফৰিস্তা দৃষ্টিগোচৰ হ’ব। আত্মিক বা অলৌকিক স্থিতিত থাকিবলৈ অন্তৰ্মুখী হোৱা।